**2 0 2 2**

# HISTORY

Paper : HIS-HC-4016

**( Rise of Modern West )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer any *ten* of the following questions in brief : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো দহটাৰ চমু উত্তৰ দিয়া :

(a) In which year was the Treaty of Westphalia signed?

কোন চনত ৱেষ্টফেলিয়া সন্ধি স্বাক্ষৰিত হৈছিল?

(b) Who was the author of *The Prince*?

*The Prince* নামৰ গ্ৰন্থখনৰ ৰচয়িতা কোন আছিল?

(c) Who was called the 'Grand Monarch of Europe'?

কোনগৰাকী ৰজাক 'ইউৰোপৰ মহান ৰজা' বুলি কোৱা হৈছিল?

(d) Mention the year of signing of the 'Magna Carta'.

'মেগ্না কার্টা' চনদ স্বাক্ষৰিত হোৱা বৰ্ষটো উল্লেখ কৰা।

(e) Who was the founder of the Stuart dynasty in England?

ইংলেণ্ডত ষ্টুৱাৰ্ট ৰাজবংশৰ প্ৰতিষ্ঠাপক কোন আছিল?

(f) Who became the king of Great Britain as a result of the Glorious Revolution (1688)?

গৌৰৱময় বিপ্লৱ (১৬৮৮)ৰ পৰিণতি স্বৰূপে কোন গ্ৰেট ব্ৰিটেইনৰ ৰজা হৈছিল?

(g) Who is called the father of modern astronomy?

আধুনিক জ্যোতিৰ্বিজ্ঞানৰ পিতৃ বুলি কাক কোৱা হয়?

(h) Who is the author of *The Wealth of the Nations*?

*The Wealth of the Nations* নামৰ গ্ৰন্থখনৰ ৰচয়িতা কোন?

(i) During the reign of which monarch was the institution of Parliament introduced in England?

কোনগৰাকী ৰজাৰ দিনত ইংলেণ্ডত পাৰ্লিয়ামেন্ট অনুষ্ঠানটোৰ আৰম্ভ হৈছিল?

(j) In which year was the 'Bank of London' founded?

কোন চনত 'বেংক অৱ লণ্ডন' প্ৰতিষ্ঠা হৈছিল?

(k) Who was the finance minister of Louis XIV under whose guidance mercantilism in France reached its zenith?

চতুৰ্দশ লুইৰ বিত্তমন্ত্ৰীগৰাকী কোন আছিল যাৰ পৰামৰ্শত ফ্ৰান্সত বণিকবাদে চৰম উৎকৰ্ষ লাভ কৰিছিল ?

(l) Mention the first British colony founded in America.

আমেৰিকাত প্ৰতিষ্ঠা হোৱা প্ৰথমখন ব্ৰিটিছ উপনিৱেশটো উল্লেখ কৰা ।

(m) Mention the Treaty that ended the War of American Independence.

আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ সামৰণি ঘটোৱা চুক্তিখন উল্লেখ কৰা ।

(n) In which country was the Industrial Revolution first occurred?

কোনখন দেশত প্ৰথমতে ঔদ্যোগিক বিপ্লৱ আৰম্ভ হৈছিল ?

(o) Who invented the steam engine?

ভাপ ইঞ্জিন কোনে আৱিষ্কাৰ কৰিছিল ?

**2.** Answer any *five* of the following questions in short : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ চমু উত্তৰ দিয়া :

(a) Mention two salient features of a 'nation-state'.

'জাতি ৰাষ্ট্ৰ'ৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা ।

(b) Mention two reforms introduced by Henry VII to strengthen the monarchy in England.

ইংলেণ্ডত ৰাজতন্ত্ৰক শক্তিশালী কৰিবলৈ সপ্তম হেনৰিয়ে কৰা দুটা সংস্কাৰ উল্লেখ কৰা।

(c) Mention the names of two Universities in which Galileo Galilei was appointed as Professor.

গেলিলিও গেলিলি অধ্যাপক হিচাপে নিযুক্ত হোৱা বিশ্ববিদ্যালয় দুখনৰ নাম লিখা।

(d) Mention two causes of the Civil War (1642–49) in England.

ইংলেণ্ডৰ গৃহযুদ্ধ (১৬৪২–৪৯)ৰ দুটা কাৰণ উল্লেখ কৰা।

(e) Write two features of imperialism.

সাম্ৰাজ্যবাদৰ দুটা বৈশিষ্ট্য লিখা।

(f) Write two important characteristics of an absolute monarchy.

স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য লিখা।

(g) Mention two Acts passed in the British Parliament to impose tax in the British colonies in America which were opposed by the colonies.

আমেৰিকাৰ ব্ৰিটিছ উপনিৱেশসমূহত কৰ আৰোপ কৰিবলৈ ব্ৰিটিছ সংসদত প্ৰণয়ন হোৱা এনে দুখন আইন উল্লেখ কৰা যিবোৰ উপনিৱেশসমূহে বিৰোধিতা কৰিছিল।

(h) Mention two problems associated with Barter System.

বিনিময় প্ৰথাৰ সতে জড়িত দুটা সমস্যাৰ কথা উল্লেখ কৰা।

**3.** Write short notes on any *four* of the following : 5×4=20

তলৰ যি কোনো চাৰিটাৰ বিষয়ে চমু টোকা লিখা :

(a) Peter the Great—the father of modern Russia

আধুনিক ৰাছিয়াৰ পিতৃ—মহান পিটাৰ

(b) The theory of Devine Right of the monarchs

ৰজাৰ দৈৱ অধিকাৰ তত্ত্ব

(c) Rule of Commonwealth and Protectorate (1649–59)

কমনৱেল্‌থ আৰু প্ৰ'টেক্টৰেটৰ শাসন (১৬৪৯–৫৯)

(d) Sir Isaac Newton

চাৰ আইজাক নিউটন

(e) Scientific Revolution during Renaissance in Europe

ইউৰোপৰ নৱজাগৰণৰ সময়ৰ বৈজ্ঞানিক বিপ্লৱ

(f) Boston Tea Party

বষ্টন টি পাৰ্টি

(g) Money Economy

মুদ্ৰা অৰ্থ-ব্যৱস্থা

(h) The putting-out system

'পুটিং আউট' অথবা উপচুক্তি ব্যৱস্থা

**4.** Answer any *four* of the following questions : 10×4=40

তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) What is nation-state? Trace the growth of France as a nation-state in modern age.

জাতি ৰাষ্ট্ৰ কি ? আধুনিক যুগত জাতি ৰাষ্ট্ৰ হিচাপে ফ্ৰাঞ্চৰ বিকাশৰ ৰূপৰেখা অংকন কৰা ।

(b) Write briefly about the crisis in European economy in the seventeenth century.

সপ্তদশ শতিকাত ইউৰোপীয় অৰ্থনীতিত উদ্ভৱ হোৱা সংকটৰ বিষয়ে চমুকৈ লিখা ।

(c) Write a brief note on the political dimension of the seventeenth century crisis in Europe.

ইউৰোপত সপ্তদশ শতিকাৰ সংকটৰ ৰাজনৈতিক দিশটোৰ বিষয়ে এটি চমু টোকা প্ৰস্তুত কৰা ।

(d) What is mercantilism? What were the causes of the rise of mercantilism in Europe?

বণিকবাদ কি? ইউৰোপত বণিকবাদ বিকাশৰ কাৰণবোৰ কি আছিল?

(e) Trace the growth of mercantilism in England.

ইংলেণ্ডত বণিকবাদৰ বিকাশৰ এটি ৰূপৰেখা অংকন কৰা।

(f) What is parliamentary monarchy? How did parliamentary monarchy evolve in England?

সংসদীয় ৰাজতন্ত্ৰ কি? ইংলেণ্ডত সংসদীয় ৰাজতন্ত্ৰ কিদৰে বিকশিত হৈছিল?

(g) What were the features of Absolute Monarchy that emerged in Europe in seventeenth and eighteenth century?

সপ্তদশ আৰু অষ্টাদশ শতিকাত ইউৰোপত উদ্ভৱ হোৱা স্বেচ্ছাচাৰী ৰাজতন্ত্ৰৰ বৈশিষ্ট্যবোৰ কি আছিল?

(h) What were the causes of Glorious Revolution (1688) of England?

ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱ (১৬৮৮)ৰ কাৰণবোৰ কি আছিল?

(i) Write briefly the political and economic issues of the War of American Independence.

আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ ৰাজনৈতিক আৰু আৰ্থিক কাৰণবোৰ চমুকৈ লিখা।

(j) Discuss the background of the first Industrial Revolution in England.

ইংলেণ্ডৰ প্ৰথম ঔদ্যোগিক বিপ্লৱৰ পটভূমি আলোচনা কৰা।

★★★